## আদিতম সত্তা (Primary Substance)

থেলিচৰ দৰে এনাক্সিমেণ্ডাৰৰ মতেও জগতৰ আদি উপাদন হ'ল জড়। এই জগতৰ সমস্ত বস্তু এটা মাত্ৰ মৌলিক দ্ৰব্যৰ পৰা উৎপত্তি হৈছে। কিন্তু এই জড়দ্ৰব্য থেলিচৰ পানী নহয়, এই মৌলিক দ্ৰব্য আমি জ্ঞাত আন কোনো দ্ৰব্যও নহয়। মাটি, পানী, বায়ু বা অগ্নি— এই চাৰিটা জড় উপাদনৰ কোনোটোৱে এনাক্সিমেণ্ডাৰৰ দৃষ্টিত জগতৰ আদি উপাদান নহয়। এই চাৰিটা জড় উপাদানৰ যদি কোনো এটা মূলতত্ত্ব হ'লেহেঁতেন, তেনেহ'লে সেইটোৱে আন আন উপাদানক গ্ৰাস কৰি পেলালেহেঁতেন। গতিকে এইবোৰৰ কোনোটোৱে জগতৰ মৌলিক বা প্ৰাথমিক উপাদান হ'ব নোৱাৰে। এনাক্সিমেণ্ডাৰৰ মতে, এই মৌলিক দ্ৰব্য হ'ল অসীম, শাশ্বত আৰু কালহীন; এই দ্ৰব্য সমস্ত জগতক পৰিবেষ্টন কৰি আছে (It is infinite, eternal and ageless, and 'it encompasses all the worlds')। কাৰণ তেওঁৰ মতে, আমাৰ পৃথিৱী আন বহুতো পৃথিৱীৰ দৰে এটি। মৌলিক দ্ৰব্যটো বিভিন্ন দ্ৰব্যত ৰূপান্তৰিত হয় যাৰ লগত আমি পৰিচিত আৰু এই দ্ৰব্যসমূহ পুনৰায় পূৰ্বাৱস্থাত উভতি যায়। এই প্ৰসংগত এনাক্সিমেণ্ডাৰৰ এটি গুৰুত্বপূৰ্ণ আৰু বিখ্যাত উক্তি হ'ল ঃ "যি উৎসৰ পৰা বস্তুসমূহৰ উৎপত্তি তাতেই আকৌ উভতি যাবলগীয়া হয়। এই বস্তুসমূহে সময়ৰ ক্ৰমানুসাৰে এটা আনটোৰ সন্তোষবিধান বা ক্ষতিপূৰণ কৰি থাকে" (Into that from which things take their rise they pass away once more, as is ordained, for they make reparation and satisfaction to one another for their injustice according to the ordering of time.)। এনাক্সিমেণ্ডাৰৰ মতে, এই মৌলিক দ্ৰব্য বা আদিতম সত্তা হ'ল 'সীমাহীন' (Boundless)। এই সীমাহীনৰ পৰাই জগতৰ সমস্ত কিছুৰ উৎপত্তি আৰু প্ৰয়োজনত ইয়াতে যাবতীয় বস্তু প্ৰত্যাবৰ্তন কৰে।

গতিকে এনাক্সিমেণ্ডাৰৰ মতে, সীমাহীন হ'ল জগতৰ মূল তত্ত্ব যাৰ পৰা সমগ্ৰ জগত আনিক গ্ৰহ, নক্ষত্ৰ, চন্দ্ৰ, সূৰ্য আদিৰ উৎপত্তি হৈছে। এনাক্সিমেণ্ডাৰৰ সীমাহীন তত্ত্ব সম্পৰ্কে দুটা মূল প্ৰশ্ন উত্থাপিত হয়। এই প্ৰশ্ন দুটাৰ উত্তৰ লাভ কৰিলে তেওঁৰ আদিতম তত্ত্ব সীমাহীনক ভালদৰে বুজিব পাৰিম। এই প্ৰশ্ন দুটা হ'ল ঃ

১। এনাক্সিমেণ্ডাৰে সীমাহীনক কিয় জগতৰ মূল তত্ত্ব বুলি স্বীকাৰ কৰিলে?

২। সীমাহীনৰ পৰা জগতৰ উৎপত্তি কিদৰে হ'ল?

প্ৰথম প্ৰশ্নৰ উত্তৰত কোৱা যায় যে, আয়োনিক দাৰ্শনিকসকলে সাধাৰণতে জড়দ্ৰব্যকে জগতৰ মূল তত্ত্ব বুলি স্বীকাৰ কৰিছে। থেলিচৰ মতে, জগতৰ আদিতম সত্তা হ'ল পানী, এনাক্সিমেনিচৰ মতে এই তত্ত্ব হ'ল বায়ু। আন দুগৰাকী আয়োনিক

দাৰ্শনিক হিপ্পো (Hippo) আৰু আইডেয়িচ (Idaeus) নতুন কোনো তত্ত্বৰ ব্যা
নকৰি থেলিচ আৰু এনাক্সিমেনিচৰ তত্ত্বক স্বীকাৰ কৰিছে। হিপ্পো থেলিচক অনুস
কৰি কৈছে যে, পানীয়ে জগতৰ আদি তত্ত্ব; আইডেয়িচ এনাক্সিমেনিচক অনুস
কৰি কৈছে যে, জগতকখন বায়ুৰ পৰাই উৎপত্তি হৈছে। এইসকল দাৰ্শনিকৰ লগ
এনাক্সিমেণ্ডাৰৰ এটা বিষয়ত মিল আছে যে, তেওঁৰ মতেও জগতখন জড়দ্ৰব্যৰ প
উৎপত্তি হৈছে; কিন্তু এওঁলোকৰ বিপৰীতে তেওঁ এই মন্তব্য কৰিছে যে, জগত
মাটি, পানী, বায়ু বা অগ্নি— এই চাৰিটাৰ কোনো এক জড়দ্ৰব্য বা চাৰি দ্ৰব
সমন্বয়ত উৎপত্তি হোৱা নাই। তেওঁ ইয়াক কোনো বিশেষ ধৰণৰ জড় বুলিও বিশ্ব
নকৰে। তেওঁ এই তত্ত্বক আকাৰহীন, অনিৰ্দিষ্ট, বৈশিষ্টহীন বা নিৰ্গুণ জড় বু
কৈছে। সাধাৰণতে আমি জড় বুলি ক'লে বিশেষ জড়দ্ৰব্যকে বুজোঁ— মাটি, পা
বায়ু আৰু অগ্নি। এৰিষ্টটলৰ মতে, এনাক্সিমেণ্ডাৰৰ এই জ্ঞাত উপাদানসমূহ পৰস্প
বিপৰীতধৰ্মী। এই জড়দ্ৰব্যবোৰৰ মাজত গুণৰ পাৰ্থক্য আছে। বায়ু শীতল, পানী
গুণ আৰ্দ্ৰতা বা সেমেকা, অগ্নিৰ গুণ উষ্ণতা। বায়ু বায়ুই, কাৰণ ইয়াত বায়ুৰ গু
বিদ্যমান; পানী পানীয়েই কাৰণ ইয়াত পানীৰ গুণ আৰ্দ্ৰতা বিদ্যমান; ইত্যাদি। গতি
এই উপাদানসমূহৰ ভিতৰত কোনো এটা যদি অসীম হয়, তেনেহ'লে অৱশি
উপাদানসমূহ ইতিমধ্যে ধ্বংস হৈ গ'লেহেঁতেন। সেয়ে এই বৈপৰীত্যময় বিশ্
মৌলিক দ্ৰব্যটো অৱশ্যই এক নিৰপেক্ষ দ্ৰব্য। এই নিৰপেক্ষ দ্ৰব্য নিশ্চিতভাৱে এ
অনিৰ্দিষ্ট, আকাৰহীন জড়দ্ৰব্য হ'ব লাগিব। কিন্তু ই মাটি, পানী, বায় আৰু অগ্নি
দৰে বিশেষ বিশেষ জড়দ্ৰব্য নহয়। ই হ'ল এক সামান্য জড়দ্ৰব্য; কেৱল সামান্
দ্বাৰা বিশেষৰ ব্যাখ্যা কৰা সম্ভৱ, ইয়াৰ বিপৰীতটো সত্য নহয় (general ca
explain the particular coming from it, but not vice-versa)
উদাহৰণস্বৰূপে, মাটিৰ পৰা ঘট, পট আদি বিভিন্ন বস্তু তৈয়াৰ হ'ব পাৰে; কিন্তু ঘট
পৰা পট বা পটৰ পৰা ঘট তৈয়াৰ নহয়। একেদৰে এই সামান্য দ্ৰব্যৰ পৰা সকলো
বিশেষ বস্তুৰ উৎপত্তি হ'ব পাৰে, কিন্তু বিশেষ দ্ৰব্যৰ পৰা কোনো বিশেষ বস্তু
উৎপত্তি সম্ভৱ নহয়। গতিকে জগতৰ মূল উপাদান এক নিৰ্বিশেষ জড় উপাদান
এই জড় আকাৰহীন আৰু গুণবৰ্জিত। ই গুণৰ দিশৰ পৰা অনিৰ্দিষ্ট হ'লেও পৰিমাণ
দিশৰ পৰা সীমাহীন। এই জড়তত্ত্ব দেশৰ মাজেদি অসীমত বিস্তৃত। এনাক্সিমেণ্ডাৰ
যুক্তি হ'ল ঃ জড় যদি সীমিত পৰিমাণৰ হ'লেহেঁতেন, তেন্তে সি অসংখ্য জগত
সৃষ্টি আৰু ধ্বংসৰ কাৰণ হিচাপে নিজেও নিঃশেষ হৈ পৰিলেহেঁতেন। গতিকে এই
জড়তত্ত্ব কোনো সীমিত তত্ত্ব হ'ব নোৱাৰে; ই সীমাহীন, শাশ্বত, অনাদি আৰু অনন্ত
এইবোৰ যুক্তিতে এনাক্সিমেণ্ডাৰে জগতৰ মূল তত্ত্বক সীমাহীন বুলি উল্লেখ কৰিছে

এই জড় কোনো নিৰ্দিষ্ট জড় নহয়, ই হ'ল আকাৰহীন, অনিৰ্দিষ্ট আৰু সকলো প্ৰকাৰৰ বৈশিষ্ট্য বা গুণ বৰ্জিত। ই যেনেদৰে অনাদি আৰু অনন্ত, তেনেদৰে ইয়াৰ গতিও অনাদি। এই পৰমতত্ত্ব কোনো আধ্যাত্মিক সত্তা নহয়, ই নিশ্চিতভাৱে এক বাস্তৱ তত্ত্ব, জড়জগতৰ মূলতত্ত্ব। এই সীমাহীন তত্ত্বতেই জাগতিক সমস্ত বিষয়ৰ উৎপত্তি আৰু ইয়াতেই জাগতিক সমস্ত কিছু বিলীন হৈ যায়।

দ্বিতীয় প্ৰশ্ন অৰ্থাৎ জগতৰ উৎপত্তি কিদৰে হ'ল— এই সম্পৰ্কে এনাক্সিমেণ্ডাৰ অস্পষ্ট আৰু সুনিৰ্দিষ্টভাৱে একো কোৱা নাই। এনাক্সিমেণ্ডাৰৰ মতে, গতিৰ ফলতে বিশেষ বস্তুৰ বিভক্ত বা পৃথক হোৱা সম্ভৱ হৈছিল। এই সমাহীন তত্ত্ব যেনেদৰে স্বয়ম্ভু, অবিনাশী আৰু আদি-অন্তহীন, তেনেদৰে গতিও আদিহীন। এই গতিৰ ফলতে সীমাহীনৰ পৰা বিশেষ দ্ৰব্যসমূহ স্বতন্ত্ৰৰূপ লাভ কৰে। তেওঁৰ মতে, জগত গঠিত হোৱাৰ মূলতে আছে বিপৰীত বা বিৰুদ্ধ বিষয়ৰ বিভক্ত বা পৃথকীকৰণ হোৱা (separating out of the opposites) প্ৰক্ৰিয়া। বিশেষবৰ্জিত, অনিৰ্দিষ্ট, আকাৰহীন প্ৰাথমিক উপাদানৰ গতিবশতঃ কোনো এক অনিশ্চিত প্ৰক্ৰিয়াৰ মাধ্যমত নিজকে উষ্ণ আৰু শীতল— এই দুই ভাগত বিভক্ত কৰিলে। শীতল আৰু উষ্ণ, শুষ্ক আৰু সিক্ত প্ৰভৃতি বিপৰীতধৰ্মী পদাৰ্থ প্ৰতিনিয়ত সীমাহীনৰ পৰা পৃথকীকৃত হৈছে আৰু সীমাহীনতে এইবোৰ আকৌ বিলীন হৈ গৈছে। সৰ্বপ্ৰথম পৃথক হৈছে উষ্ণ আৰু শীতল বা ঠাণ্ডা। শীতল বা ঠাণ্ডা হ'ল জিকা বা সেমেকা। এই জিকা বা সেমেকা জড় হ'ল বিশ্বজগতৰ কেন্দ্ৰস্থল পৃথিৱী। উষ্ণ জড় উপাদান পৃথিৱী বেষ্টনকাৰী অগ্নিমণ্ডলত পৰিণত হয়। কেন্দ্ৰস্থলৰ পৃথিৱী আছিল মূলত তৰল। পৰিবেষ্টিত মণ্ডলৰ উত্তাপত পৃথিৱীৰ পানী লাহে লাহে বাষ্পিত হৈ পৃথিৱী বেষ্টনকাৰী বায়ুৰ সৃষ্টি কৰিলে। প্ৰাচীন কালৰ গ্ৰীক দাৰ্শনিকসকলে বায়ু আৰু বাষ্পক একে বুলি ভাবিছিল। উত্তাপৰ ফলত সেই বাষ্প বা ভাপ প্ৰসাৰিত হ'বলৈ ধৰে আৰু ইয়াৰ ফলত বাহিৰৰ অগ্নিমণ্ডলত প্ৰচণ্ড বিস্ফোৰণ ঘটে আৰু গৰুৰ গাড়ীৰ চকাৰ নিচিনা (wheel shaped husks) চকা তৈয়াৰ কৰিছিল। এই অসংখ্য চক্ৰাকৃতি উপাদান বৃহৎ আকাৰৰ ৰূপ ধাৰণ কৰি পৃথিৱীৰ চাৰিওফালে পৰিৱেষ্টন কৰি থাকে। এই গাড়ীৰ চকাৰ নিচিনা চকা বা উপাদানবোৰ ঘণ, অস্বচ্ছ বাষ্পৰ কঠিন আৱৰণত আবৃত্ত যাৰ ভিতৰৰ জুইৰ জেউতি আমাৰ দৃষ্টিগোচৰ নহয়। কিন্তু সেইবোৰত কিছুমান সুৰুঙা বা নলৰ বিন্ধাৰ নিচিনা গাঁত (hole) আছে আৰু এইবোৰৰ মাজেদি জুইৰ ৰশ্মি বা জিলিঙণি দেখা যায়। এইবোৰেই চন্দ্ৰ, সূৰ্য, তৰা প্ৰভৃতি গ্ৰহ-নক্ষত্ৰ। অগ্নিকুণ্ডৰ পৰা উদ্ভৱ হোৱা চকা তিনিটা— প্ৰথম চকাটো হ'ল সূৰ্যৰ, যি আমাৰ পৰা আটাইতকৈ দূৰত; দ্বিতীয় চকাটো হ'ল আমাৰ ওচৰৰ চন্দ্ৰৰ; আৰু

পৃথৱীৰ আটাইতকৈ দুৰত থকা চকা হ'ল স্থিৰ নক্ষত্ৰবোৰ, যিবোৰ বতাহৰ প্ৰবাহ কাৰণে পৃথিৱীৰ চাৰিওফালে আৱৰ্তিত হয়। এই দৰে সমগ্ৰ জগতৰ সৃষ্টি হয় যা কেন্দ্ৰস্থলত আছে পৃথিৱী। এনাক্সিমেণ্ডাৰৰ মতে, বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰস্থলত অৱস্থি পৃথিৱী গোলাকাৰ (spherical) নহয়, বৰং পৃথিৱী হ'ল ঘূৰণীয়া চুঙাৰ নিচি নলাকাৰ বা স্তম্ভাকাৰ (cylindrical)। মানুহ এই স্তম্ভাকাৰ বা নলাকাৰ পৃথিৱী উপৰিভাগত বসবাস কৰে।

এনাক্সিমেণ্ডাৰৰ মতে, আমাৰ এই জগতৰ দৰে অসংখ্য জগত স্থিতিশী তেওঁৰ বিশ্বাস যে, এইবোৰ জগত এটাৰ পিছত আনটো অনুগমন কৰে। প্ৰথম এখন জগতৰ সৃষ্টি হ'ল, বিকশিত হ'ল আৰু ধ্বংস হ'ল; তাৰ পিছত আন এখ জগতৰ উৎপত্তি হয়, বিকশিত হয় আৰু ধ্বংস হয়। এইদৰে জগতৰ নিয়মিত বি চিৰকাল ধৰি চলিছে। বাৰ্ণেটৰ মতে, এনাক্সিমেণ্ডাৰৰ অসংখ্য জগত অনিবাৰ্যভা ধাৰাবাহিক নহয়, বৰং একেলগে অস্তিত্বশীল জগত। একেলগে অসংখ্য জগ অস্তিত্বশীল থাকিব পাৰে, কিন্তু এইবোৰ জগত চিৰস্থায়ী নহয়। এইবোৰ জগ উৎপত্তি হৈছে, বিকশিত হৈছে, এটা সময়ত ধ্বংস হৈছে; আৰু পৰৱৰ্তী সময় অন্যান্য জগতে তাৰ স্থান দখল কৰিছে।

এনাক্সিমেণ্ডাৰৰ এই বিশ্বজগত সুশৃংখলিত নিয়মৰ মাজেদি আগবাঢ়িছে। তেও দৰ্শনত ইয়াক জাগতিক নিয়ম বুলি কোৱা হৈছে। এই নিয়মক তেওঁ ন্যায়পৰায়ণ (justice) শব্দৰ দ্বাৰা বুজাইছে। তেওঁ এক প্ৰসংগত এই ন্যায়পৰায়ণতাৰ ক'ব গৈ কৈছে যে, জগতৰ প্ৰতিটো বস্তু য'ৰ পৰা উৎপত্তি তাতে উভতি যায়। বস্তুস সময়ৰ ক্ৰমানুসাৰে এটাই আনটোৰ নিজৰ অন্যায়ৰ সন্তোষবিধান বা ক্ষতিপূৰণ ক থাকে। এটা উপাদান আন এটা উপাদানৰ ওপৰত অবৈধভাৱে পদাৰ্পন এনাক্সিমেণ্ডাৰে অনায্যতা বা অন্যায় (injustice) বুলি উল্লেখ কৰিছে। উষ্ণ উপাদ গ্ৰীষ্মকাল আৰু শীতল বা ঠাণ্ডা শীতকালত এই অনায্যতাৰ কাম কৰি থাকে। বিশে উপাদানবোৰ নিৰ্বিশেষ সীমাহীনৰ পৰা উদ্ভূত হ'লেও নিৰ্বিশেষ সীমাহীনৰ মাজ মিলি গৈ নিজৰ অন্যায়ৰ ক্ষতিপূৰণ কৰি থাকে। ৰাছেলৰ মতে, গ্ৰীক ধৰ্ম অ দৰ্শনত জাগতিক আৰু মানৱীয়— এই উভয় প্ৰকাৰৰ ন্যায়পৰায়ণতাৰ ধাৰণা এ বিশেষ ভূমিকা পালন কৰে যিটো আধুনিক যিকোনো মানুহৰ পক্ষে উপলব্ধি ক সহজ নহয়। ন্যায়পৰয়াণতাৰ দ্বাৰা এনাক্সিমেণ্ডাৰে যি বুজাব বিচাৰিছিল সি হ'ল পৃথিৱীত সুনিৰ্দিষ্ট পৰিমাণ অগ্নি, মাটি আৰু পানী আছিল। এইবোৰ প্ৰতিটো উপাদানেই (যাক দেৱতা হিচাপে কল্পনা কৰা হয়) পৃথিৱীত বিস্তাৰ লাভ কৰিবৰ অবিৰাম প্ৰচেষ্টা চলায়। কিন্তু এটি ভাৰসাম্যপূৰ্ণ অৱস্থা বজাই ৰখাৰ উদ্দেশ্যে এ

ধৰণৰ অনিবাৰ্য আৰু প্ৰাকৃতিক নিয়মো আছিল। উদাহৰণস্বৰূপে, য'ত জুই আছিল তাত ভস্মও আছিল আৰু এই ভস্মই হ'ল পৃথিৱী। এই ন্যায়পৰায়ণতাৰ ধাৰণা, যি শাশ্বতভাৱে সুনিৰ্দিষ্ট সীমা অতিক্ৰম কৰা নাই, গ্ৰীকসকলৰ বিশ্বাসত আটাইতকৈ বেছি গভীৰভাৱে নিহিত আছিল। মানুহ যিদৰে ন্যায়পৰায়ণতাৰ অধীন, তেনেদৰে দেৱ-দেৱীও ন্যায়পৰায়ণতাৰ অধীন। কিন্তু এই পৰমশক্তি (ন্যায়পৰায়ণতা) নিজে যিদৰে কোনো ব্যক্তি নহয়, তেনেদৰে কোনো পৰম ঈশ্বৰো নহয় (Bertrand Russell : History of Western Philosophy, pp. 45-46)।

## বিৱৰ্তন তত্ত্ব (Theory of Evolution)

এনাক্সিমেণ্ডাৰৰ মতে, ইহুদি আৰু খ্ৰীষ্টান ধৰ্মতত্ত্বত যিদৰে পৃথিৱী সৃষ্টিৰ কথা কোৱা হৈছে প্ৰকৃততে পৃথিৱীৰ সৃষ্টি তেনেদৰে হোৱা নাই। জগতখন হ'ল বিৱৰ্তন বা ক্ৰমবিকাশৰ ফল। কেৱল জড়জগতেই নহয়, জীৱ-জগতৰো সৃষ্টি হৈছে বিৱৰ্তনিক উপায়েৰে। জীৱৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কীয় এনাক্সিমেণ্ডাৰৰ এই অভিমত অধিক আকৰ্ষণীয়। সূৰ্য কীৰণত বাষ্পীভূত সিক্ত উপকৰণৰ পৰাই জীৱন্ত প্ৰাণীৰ উৎপত্তি। আৰম্ভণিতে পৃথিৱী আছিল জলীয় পদাৰ্থ; পিছত বাষ্পীকৰণৰ মাধ্যমত তাপ আৰু আৰ্দ্ৰতাৰ পৰা জীৱন্ত সত্তাসমূহৰ উদ্ভৱ হয়। প্ৰথম দৃষ্টান্তত এই সকলো সত্তা নিম্ন স্তৰত অৱস্থিত আছিল। পৰিৱেশৰ লগত খাপ খাওঁতে খাওঁতে নিম্নস্তৰৰ সত্তাসমূহ ক্ৰমশঃ উচ্চতৰ প্ৰাণীত উন্নত হয়। প্ৰথমতে মানুহ আছিল পানীত বসবাস কৰা এবিধ প্ৰাণী। মানুহৰ আদি পুৰুষ মানুহ নাছিল, মাছৰ দৰে আন এক জাতৰ প্ৰাণী। অন্যান্য প্ৰাণীৰ দৰে মানুহেও মাছৰ পৰা উদ্ভুত হয়। কিন্তু মানুহ ভিন্ন এক জাতৰ মাছৰ পৰা উদ্ভুত হয়। কাৰণ মানুহ তেওঁৰ সুদীৰ্ঘ জীৱন শৈশৱ অৱস্থাৰ পৰা লৈ বৰ্তমানত যিদৰে বৰ্তি আছে, তাৰ পৰাই বুজা যায় যে মানুহ যি মাছৰ পৰা উদ্ভৱ হৈছে সেই মাছ সাধাৰণ কোনো মাছ নহয়। এটা সময়ত জলীয় পৃথিৱীৰ বাওঁফাল লাহে লাহে শুকাবলৈ ধৰে আৰু মানুহৰ দৰে বহু সামুদ্ৰিক প্ৰাণী স্থলভাগত বসবাস কৰা আৰম্ভ কৰে।

মানুহৰ উৎপত্তি সম্পৰ্কে এনাক্সিমেণ্ডাৰ যি যুক্তি দিছে তাক দাৰ্শনিক বাৰ্ণেটে সুন্দভাৱে উপস্থাপন কৰিছে এনেদৰে ঃ “Originally man was born from animals of another species. His reason is that while other animals quickly find food by themselves, man alone requires a lengthy period of suckling. Hence, had he been originally as he is now, he would never have survived.... He declares that at first human beings arose in the inside of fishes, and after having been reared like

sharks, and become capable of protecting themselves, they w… finally cast ashore and took to land. (J. Burnet : Early Gre… Philosophy. p. 73)"। অৰ্থাৎ প্ৰকৃতাৰ্থত মানুহ ভিন্ন এক প্ৰজাতিৰ পৰা উ… হৈছে। তেওঁ (এনাক্সিমেণ্ডাৰৰ) যুক্তি হ'ল যে, অন্যান্য প্ৰাণী জন্মৰ ঠিক পিছতে খ… সংগ্ৰহ কৰাত সক্ষম; কিন্তু মানৱ শিশুৰ ক্ষেত্ৰত দীৰ্ঘ সময়ৰ প্ৰয়োজন হয়। জ… পিছত মানৱ শিশুৱে যতদিন স্তন পান কৰিবলগীয়া হয়, যতদিন ধৰি সি আন ব্য… ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। মানুহৰ উৎপত্তি যদি মানুহৰ পৰাই হ'লহেঁতে… তেনেহ'লে সি জীয়াই থাকিব নোৱাৰিলেহেঁতেন। সেয়ে এনাক্সিমেণ্ডাৰে যো… কৰিছে যে, মানুহ আৰম্ভণিতে মাছৰ দৰে এক বিশেষ আৱৰণত আবৃত অৱস্থ… পানীত বাস কৰিছিল। দীৰ্ঘদিন এইদৰে শাৰ্কৰ (sharks) দৰে জীয়াই থকাৰ পি… তেওঁলোক যেতিয়া আত্মৰক্ষাত উপযুক্ত হয়, তেতিয়া তেওঁলোক এদিন সমু… নিক্ষিপ্ত হয় আৰু স্থলত বসতি স্থাপন কৰিবলৈ ধৰে।

গতিকে দেখা যায় যে, জগতৰ উৎপত্তিৰ ক্ষেত্ৰত এনাক্সিমেণ্ডাৰৰ বিৱৰ্তনবা… (theory of evolution) সমৰ্থক। মধ্যযুগীয় চিন্তাবিদৰ দৰে তেওঁ আকস্মি… সৃষ্টিবাদত (theory of special creation) বিশ্বাসী নাছিল। ধৰ্মীয় তত্ত্বৰ দ… কোনো অলৌকিক সত্তাৰ পৰা জগতৰ সৃষ্টি হোৱা বুলিও কোৱা নাই… এনাক্সিমেণ্ডাৰৰ এই আদিম মতবাদৰ লগত বিৱৰ্তনবাদৰ আধুনিক মতবাদবো… সাদৃশ্য লক্ষ্য কৰা যায়। ইয়াৰ ভিতৰত ডাৰউনৰ বিৱৰ্তনবাদ উল্লেখযোগ্য। স্টে… মতে, এই সাদৃশ্য অতিৰঞ্জিত হ'ব পাৰে, কিন্তু এটা কথা সুস্পষ্ট যে, বিৱৰ্ত… সম্পৰ্কীয় মতবাদৰ এটি বিশেষ বৈশিষ্ট্য অৰ্থাৎ পৰিৱেশৰ লগত জীৱ… অভিযোজন বা সঙ্গতিসাধনৰ বিষয়টো এনাক্সিমেণ্ডাৰে সঠিকভাৱে অনুমান কৰি… পাৰিছিল।

## মন্তব্য আৰু মূল্যায়ন (Comment & Evaluation)

এনাক্সিমেণ্ডাৰৰ দাৰ্শনিক মতবাদ কিছু অপৰিণত হ'লেও ইয়াৰ যথেষ্ট মূল… আছে। থেলিচৰ দাৰ্শনিক মতবাদৰ তুলনাত এনাক্সিমেণ্ডাৰৰ মতবাদ অধিক উন্নত… কাৰণ তেওঁৰ মতবাদত দাৰ্শনিক চিন্তাধাৰাৰ বহু অগ্ৰগতি লক্ষ্য কৰা যায়। থেলিচ… আদিতম সত্তা পানীৰ তুলনাত এনাক্সিমেণ্ডাৰৰ সীমাহীন তত্ত্বৰ ধাৰণা যথেষ্ট উন্নত… কাৰণ এনাক্সিমেণ্ডাৰৰ তত্ত্বত আছে বিমূৰ্ত চিন্তাৰ (Abstract Thinking) বিষয়… তেওঁৰ বিশ্বতাত্ত্বিক মতবাদৰ বৰ্ণনা থেলিচৰ বৰ্ণনাতকৈ বিস্তাৰিত আৰু স্পষ্ট… এনাক্সিমেণ্ডাৰে থেলিচৰ বিপৰীতে এক বিশেষ উপাদানৰ পৰিৱৰ্তে এক নিৰ্বিশেষ… উপাদান সীমাহীনৰ পৰা সমস্ত জগতৰ উৎপত্তিৰ ব্যাখ্যা দিব পাৰিছে। এনাক্সিমেণ্ডাৰে…

এই সীমাহীন তত্ত্বৰ দ্বাৰা খুব সুন্দৰভাৱে অস্তিত্বশীল জগতৰ ব্যাখ্যা দিব পাৰিছে। বিশ্বজগতৰ সৃষ্টি সম্পৰ্কে থেলিচে কিন্তু একো ব্যাখ্যা দিয়াৰ চেষ্টা কৰা দেখা নগ'ল। এনাক্সিমেণ্ডাৰে বিশ্বজগতৰ ব্যাখ্যাৰ প্ৰসংগত কৈছে যে, বিশ্বৰ আদি উপাদান অসীম বা সীমাহীন; আৰু শীতল-উষ্ণ, শুষ্ক-সিক্ত প্ৰভৃতি যাৱতীয় বিপৰীতধৰ্মী গুণ অসীমৰ পৰাই উদ্ভৱ। তদুপৰি, এনাক্সিমেণ্ডাৰৰ দৰ্শনত এই কথা পোৱা যায় যে, বিশ্বতত্ত্বৰ দৈশিক সীমা সম্পৰ্কীয় বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত হোৱা উচিত নহয়। তেওঁৰ মতে, বহু জগতৰ অস্তিত্ব আছে, আমাৰ পৃথিৱীৰ বাহিৰত আৰু অনেক জগত অস্তিত্বশীল। আকৌ, মানুহৰ উৎপত্তি আৰু বিৱৰ্তন সম্পৰ্কীয় তেওঁ যি ব্যাখ্যা প্ৰদান কৰিছে সিয়ে গ্ৰীক দৰ্শন আৰু দাৰ্শনিকসকলক যথেষ্ট উৎসাহিত আৰু অনুপ্ৰাণিত কৰিছে। জীৱ-জগতৰ উৎপত্তি ক্ৰমবিকাশৰ ফল— এনাক্সিমেণ্ডাৰৰ এই মতবাদ এক আধুনিক মতবাদ পৰিগণিত হৈছে। আধুনিক বিৱৰ্তনবাদী দাৰ্শনিক ডাৰউনৰ মতবাদৰ পূৰ্বাভাস পোৱা যায় এনাক্সিমেণ্ডাৰৰ মতবাদত। সৰ্বশেষত কোৱা যায়, এনাক্সিমেণ্ডাৰৰ 'সামান্যৰ সহায়েৰে বিশেষৰ ব্যাখ্যা সম্ভৱ, বিশেষৰ দ্বাৰা সামান্যৰ ব্যাখ্যা সম্ভৱ নহয়' এই মতবাদৰ দ্বাৰা প্ৰভাৱিত হৈ দাৰ্শনিক হেগেলকে ধৰি বহু আধুনিক দাৰ্শনিকে তেওঁলোকৰ মতবাদ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এঁয়েই এনাক্সিমেণ্ডাৰৰ উৎকৃষ্ট অৱদান।

এনাক্সিমেণ্ডাৰৰ মতবাদৰ মূল্যাংকন প্ৰসংগত ব্ৰাম্ব্ (Brumbaugh) আৰু ৰাছেলৰ মন্তব্য বিশেষভাৱে উল্লেখযোগ্য। ব্ৰাম্ব্ৰ মতে, এনাক্সিমেণ্ডাৰৰ ভিতৰত আছে বৈজ্ঞানিক কৌতূহল, কবিসুলভ কল্পনা আৰু অন্তৰ্দৃষ্টিক জাগ্ৰত কৰিব পৰা প্ৰতিভাৰ সংমিশ্ৰণ। গ্ৰীক দৰ্শনৰ সূচনা পৰ্বত তেওঁৰ কৃতিত্ব থেলিচৰ লগত একে শাৰীত পেলাব পাৰি। ৰাছেলৰ মতে, এনাক্সিমেণ্ডাৰ আছিল সম্পূৰ্ণৰূপে বিজ্ঞানৰ প্ৰতি কৌতূহলী। দাৰ্শনিক চিন্তাধাৰাত তেওঁৰ মৌলিকত্ব বৈজ্ঞানিক আৰু যুক্তিপূৰ্ণ। 'যেতিয়াই তেওঁ মৌলিকত্ব বা বৌদ্ধিকতাৰ পৰিচয় দিছিল, তেতিয়াই তেওঁৰ মাজত বৈজ্ঞানিক আৰু বিচাৰ-বুদ্ধিসন্মত দৃষ্টিভংগীৰ পৰিচয় পোৱা যায়' (Wherever he is original, he is scientific and rationalistic.)।

CamScanner

**Short Questions :**

**চমু প্ৰশ্ন ঃ**

1. What is the primary stuff or substance according to Anaximander?
   এনাক্সিমেণ্ডাৰৰ মতে আদিমূল সত্তা বা দ্ৰব্যটো কি?
2. Who was the father of Anaximander?
   এনাক্সিমেণ্ডাৰৰ পিতৃৰ নাম কি?
3. Who is the second Ionic Philosopher?
   আয়োনিক সম্প্ৰদায়ৰ দ্বিতীয় গৰাকী দাৰ্শনিক কোন?
4. Name the Greek Philosopher who at first wrote a prose.
   সৰ্বপ্ৰথম নিবন্ধ বা গদ্য লিখা গ্ৰীক দাৰ্শনিক গৰাকীৰ নাম লিখা।
5. Who wrote first book in Greek?
   গ্ৰীক ভাষাত সৰ্বপ্ৰথম গ্ৰন্থ কোনে ৰচনা কৰিছিল?
6. Who was the author of 'On Nature'?
   'On Nature'ৰ গ্ৰন্থকাৰ কোন?
7. Who was the first Cartographer?
   প্ৰথম মানচিত্ৰকাৰ কোন?

CamScanner

8. Was Anaximander a evolutionist?
এনাক্সিমেণ্ডাৰৰ এজন বিৱৰ্তনবাদী নে?
9. Is Anaximander's Boundless spiritual?
এনাক্সিমেণ্ডাৰৰ সীমাহীন আধ্যাত্মিক তত্ত্ব নে?
10. Anaximander's primary substance Boundless is.......... (Material / spiritual). (Choose the correct Answer)
এনাক্সিমেণ্ডাৰৰ আদিমূল দ্ৰব্য সীমাহীন হ'ল............... (জড়াত্মক / আধ্যাত্মিক) (শুদ্ধ উত্তৰটো বাচি উলিওৱা)
11. What is the shape of earth according to Anaximander?
এনাক্সিমেণ্ডাৰৰ মতে, পৃথিৱীৰ আকাৰটো কেনেকুৱা?
12. Was Anaximander a pluralist?
এনাক্সিমেণ্ডাৰৰ বহুত্ববাদী নে?
13. Name the water animal from which men originated.
মানুহ কোনটো জলচৰ প্ৰাণীৰ পৰা উৎপত্তি হৈছে তাৰ নাম লিখা।

CamScanner